প্ৰেছ বিজ্ঞপ্তি

# এন আৰ এলত উৎসাহ-উদ্দীপনাৰে মহিলা দিবস উদ্‌যাপন

গুৱাহাটী, ৯ মার্চ ঃ ওমেন ইন পাব্লিক ছেক্টৰ (ৱিপছ) এন আৰ এল অধ্যায়ে যোৱা ৮ মার্চত বিভিন্ন কার্যসূচীৰে আন্তর্জাতিক মহিলা দিবস, ২০২১ উদ্‌যাপন কৰে।

এই উপলক্ষ্যে ৱিপছ এন আৰ এল অধ্যায়ৰ সদস্যাসকল সেই দিনা পুৱা এন আৰ এলৰ টাউনশ্বিপ গেটত একত্ৰিত হয় আৰু এন আৰ এলৰ টাউনশ্বিপলৈ আগমন কৰা সকলো মহিলা ঠিকাভিত্তিক শ্ৰমিকক স্বাস্থ্য সুৰক্ষা সামগ্ৰী, যেনে-চাবুন, ডেট'ল, ছেনিটাইজাৰ, মাস্ক অৰু ছেনিটেৰি নেপকিন আদি প্ৰদান কৰে। ইয়াৰ পিছত, এন আৰ এল আৰু ইয়াৰ সহযোগী সংগঠন যেনে- ভি কে-এন আৰ এল হস্পিতাল, ভি কে এন আৰ এল স্কুল অৱ নার্চিং, দিল্লী পাব্লিক স্কুল, নুমলীগড়, অসম বায়ো ৰিফাইনেৰী প্ৰাঃলিঃ আৰু কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বল ( চি আই এছ এফ)ৰ মহিলা কর্মীসকলৰ বাবে সুস্বাস্থ্যৰ ওপৰত এক কর্মশালা অনুষ্ঠিত কৰা হয়। এই কার্যসূচীৰ জৰিয়তে মহিলাসকলৰ সুস্বাস্থ্যৰ লগতে সাম গ্ৰিকভাৱে কল্যানৰ লক্ষ্য নির্ধাৰণ কৰা হয়। সেইদিনা বিয়লি বেলা আনুষ্ঠানিক ভাৱে মহিলা দিৱসৰ কার্যসূচী অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত যোৰহাট জিলাৰ উপায়ুক্ত আই এ এছ বিষয়া শ্ৰীমতী ৰোশনী অপৰানজী কোৰতী, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষা ড০ ৰীতা শৰ্মা আৰু বোকাখাটৰ নির্বাচনী বিষয়া এ চি এছ শ্ৰীমতী নিতিশা বৰাই বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত এন আৰ এলৰ পৰিচালন সঞ্চালক শ্ৰী এছ কে বৰুৱা, সঞ্চালক (কাৰিকৰী) শ্ৰী বি জে ফুকন, সঞ্চালক (বিত্ত) শ্ৰী আই মিত্ৰ আৰু এন আৰ এলৰ অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

উপায়ুক্ত শ্ৰীমতী কোৰতীয়ে অনুষ্ঠানত ভাষণ প্ৰদান কৰি ঘৰুৱা হিংসা আৰু সমাজত মহিলাৰ সৈতে জড়িত বিভিন্ন ব্যৱধানৰ বিষয়ে বহলাই ব্যাখ্যা কৰে। তেওঁ পুৰুষ আৰু মহিলাক লৈ সমাজত গঢ়ি উঠা মানসিকতাৰ ওপৰতো আলোকপাত কৰে। আনহাতে ড০ ৰীতা শৰ্মাই অনুষ্ঠানত নিজৰ বক্তব্য ডাঙি ধৰি উচ্চ শিক্ষা গ্ৰহণৰ সময়ত তেওঁ সন্মূখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰে। তেওঁ যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা মেকানিকেল বিভাগত উত্তীর্ণ প্ৰথম গৰাকী মহিলা শিক্ষার্থী। একেদৰে, শ্ৰীমতী নিতিশা বৰাই কেনেদৰে তেওঁৰ মাতৃৰ সমৰ্থনত নিজৰ কেৰিয়াৰ গঢ়ে, সেই বিষয়ে অৱগত কৰায়। উল্লেখ্য, এই অনুষ্ঠানতে এক সাংস্কৃতিক কার্য্যসূচীৰ আয়োজন কৰা হয়।

আনহাতে, ওমেন ইন পাব্লিক ছেক্টৰ (ৱিপছ) এন আৰ এল-গুৱাহাটী অধ্যায়ে গুৱাহাটী মহানগৰীৰ শিজুবাৰী স্থিত মাদাৰ অ'ল্ড এজ হোমত বিভিন্ন কার্যসূচীৰে আন্তর্জাতিক মহিলা দিবস উদ্‌যাপন কৰে। এই অনুষ্ঠানত এন আৰ এলৰ গুৱাহাটী স্থিত ক'ৰ্পোৰেট কাৰ্য্যালয়, মাৰ্কেটিং কাৰ্য্যালয় আৰু প্ৰকল্প কাৰ্য্যালয়ৰ সকলো মহিলা কর্মচাৰী, অৱসৰী মহিলা কর্মচাৰী, ঠিকাভিত্তিক মহিলা কর্মচাৰী আৰু প্ৰশিক্ষু মহিলাসকলে অংশগ্ৰহণ কৰে আৰু আৱাসীসকলৰ লগত মতবিনিময় কৰি সকলো যথেষ্ট আপ্লুত হয়। কাৰ্যসূচীত অ'ল্ড এজ হোমৰ জ্যেষ্ঠ আৱাসীসকলেওঁ আত্মিয়তাৰে অংশগ্ৰহণ কৰে। এই কার্যসূচীত এক গীত-নৃত্যৰ অনুষ্ঠান আয়োজন কৰা হয়। ইয়াৰ লগতে আৱাসীসকলৰ মাজত বিভিন্ন উপহাৰ বিতৰণ কৰা হয়।